'Socio-Cultural Aspects of the
Ali Aye Ligang Festival'

ক্ষেত্ৰ অধ্যয়ন : কপাহ জুলি
গাঁও,
আলি - আই - লৃগাং উৎসৱ

তাৰিখ : ১৭/02/2021

6th Semester Students
Department of Assamese
Amguri College, Amguri

# সূচীপত্ৰ

১.০ আৰম্ভণি

১.১. অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য

১.২. অধ্যয়নৰ পৰিসৰ

১.৩. অধ্যয়নৰ গুৰুত্ব

১.৪. তথ্য আহৰণৰ উৎস

১.৫. অধ্যয়নৰ পদ্ধতি

১.৬. মূল আলোচনাৰ বিষয়

১.৭ সামৰণি

## ১.০ আৰম্ভণি :

ক্ষেত্ৰ অধ্যয়ন হৈছে কোনো ক্ষেত্ৰত হৈ কৰা অধ্যয়ন। যিকোনো এটা তথ্য, প্ৰসংগ ঘটনা বিষয়ৰ প্ৰকৃত সত্য উদ্ঘাটনৰ বাবে প্ৰকৃত স্থানত হৈ কৰা অধ্যয়নেই ক্ষেত্ৰ অধ্যয়ন। বিদ্যায়তনিক ভাৱে ক্ষেত্ৰ অধ্যয়ন কৰা হয় যিকোনো বিষয় এটাৰ প্ৰাসংগিক তথ্য আৰু সত্য উদ্ঘাটনৰ বাবে। গৱেষণাৰ ক্ষেত্ৰসমূহতো ক্ষেত্ৰ অধ্যয়নে এক গুৰুত্বৰ স্থান দখল কৰিছে। এনে অধ্যয়নে বিষয় এটাক নিজৰ অভিজ্ঞতাৰ আধাৰত বিচাৰ বিশ্লেষণ-ৰ সুবিধা প্ৰদান কৰে। চকুৰে চাই, হাতেৰে চুই, মন-মগজুৰ চিন্তনেৰে ক্ষেত্ৰসমূহক বুজিবলৈ ক্ষেত্ৰ অধ্যয়নৰ প্ৰয়োজন।

তদুপৰি ক্ষেত্ৰ অধ্যয়ন হৈছে বাস্তৱিক পৰিস্থিতিত কৰা এক অনুসন্ধান। সমাজ বিজ্ঞান আৰু শিক্ষাৰ ক্ষেত্ৰত ই সঘনাই ব্যৱহৃত এক প্ৰকাৰৰ প্ৰায়োগিক অধ্যয়ন। এই অধ্যয়নে বাস্তৱিক পৰিস্থিতি আৰু স্বাভাৱিক আচৰণৰ বিষয়ে তথ্য লাভ কৰাত সহায় কৰে। এনে নিৰ্বাচিত গৱেষণাৰ নমুনাসমূহ পৰ্যবেক্ষণ কৰি প্ৰত্যক্ষভাৱে তথ্য উদ্ঘাটন কৰিব পাৰি।

১.১ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য:

অসমৰ জনগোষ্ঠীসমূহৰ উৎসৱ-পাৰ্বনসমূহ এই অধ্যয়নৰ বিষয়ত- নিজ চকুৰে দেখি, নতুন নতুন স্থানে ভ্ৰমণ কৰি, সুবিধা-অসুবিধাসমূহ পৰ্যবেক্ষণ কৰি তাৰ বাবে লব লগা উচিত পদক্ষেপসমূহৰ বিষয়ে অধ্যয়ন কৰাই আৰু লুপ্তপ্ৰায় সংস্কৃতিসমূহ সংৰক্ষণ কৰি সমাজৰ আগত দাঙি ধৰাই হৈছে লক্ষ্য আৰু উদ্দেশ্য।

১.২. অধ্যয়নৰ পৰিসৰ:

এটা জনগোষ্ঠীৰ সাহিত্য-সংস্কৃতি, সমাজৰ লগতে প্ৰকৃতি প্ৰীতি প্ৰসংগো, আৰু বৃদ্ধি পোৱা বৈজ্ঞানিক কৌতুহলক উৎসাহিত কৰা, প্ৰত্যক্ষ অভিজ্ঞতা আদিৰ সুযোগ লাভ কৰাৰ ক্ষেত্ৰত এক বৃহৎ পৰিসৰ অন্তৰ্ভুক্ত কৰা হৈছে।

১.৩. অধ্যয়নৰ গুৰুত্ব:

কোনো এখন ঠাইৰ, কোনো এটা বস্তু, কিছুমান নীতি-নিয়ম, উৎসৱ-পাৰ্বণ আদিৰ ক্ষেত্ৰত বিভিন্ন সমস্যা সমাধানত বিজ্ঞানসন্মত ভাৱে বিশ্লেষণ কৰি সমস্যাৰ শুদ্ধ সমাধান দিয়াৰ ক্ষেত্ৰত এই অধ্যয়নৰ গুৰুত্ব অপৰিসীম।

তথ্য আহৰণৰ উৎস: এই অধ্যয়নৰ তথ্য আহৰণৰ উৎস হৈছে গৌণ। বহু সময়ত গৌণ উৎসৰ পৰা লাভ কৰা তথ্যৰ নিৰ্ভৰযোগ্যতা সত্য-অসত্য ধৰিব নোৱাৰি। ক্ষেত্ৰ অধ্যয়নে গৌণ উৎসৰ সততা নিৰ্ণয়ত সহায় কৰে।

১.৪. অধ্যয়নৰ পদ্ধতি :

তাৰিখ : ১৭.০২.২০২১

বাৰ : বুধবাৰ

সময় : পুৱা ৯.০০ বজাত

লোৱা/লগত লৈ যোৱা সামগ্ৰী : বহী, কলম, কেমেৰা, মোবাইল ইত্যাদি।

যাত্ৰাৰ বাহন : চাৰিখন গাড়ী (মেজিক)

যাত্ৰাৰ আৰম্ভণি :

নিৰ্ধাৰিত দিনা পুৱা ৯.০০ মান বজাত আমি সকলো অৰ্থাৎ আমগুৰি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সকলো ছাত্ৰ-ছাত্ৰী মহাবিদ্যালয়ৰ চোতালত উপস্থিত হওঁ। আমাৰ সকলোৰে শ্ৰদ্ধাৰ বিভাগীয় প্ৰধান শ্ৰীযুত উৎপল ফুকন ছাৰ লগতে সহ শিক্ষয়িত্ৰী ড° মালা হাজৰিকা আৰু বন্দিতা গগৈ বাইদেউৰ অনুমতি আৰু পৰামৰ্শ মতে আমাৰ যাত্ৰা আৰম্ভ হয়। প্ৰায় ৯.৪০ মান বজাত আমি সকলো নিৰ্ধাৰিত ঠাই আমগুৰিৰ হালোৱাটিং কঁঠালগুৰি মিচিং গাঁৱত উপস্থিত হওঁগৈ। তাতে উপস্থিত মিচিং লোকে আমাক আদৰ সাদৰ কৰি নি বহুৱাবলৈ ব্যৱস্থা কৰি দিয়ে। আলি-আই লিগাঙৰ উদ্‌যাপনৰ বাবে আয়োজন কৰা সভাত আমাক তেওঁলোকে চাহ-জলপানৰ ব্যৱস্থা কৰি দিয়াৰ লগতে আমাৰ বিভাগীয় ছাৰ বাইদেউ সকলক সন্মান জনায়। পৰৱৰ্তী সময়ত আমি সকলোৱে লগত নিয়া প্ৰশ্নকাকত লৈহে তাতে মিচিং লোক সকলক তেওঁলোকৰ এই আলি-আই লিগাং

ৰ লগত থাকি বিভিন্ন কথা, বিভিন্ন সমস্যা আদিৰ বিষয়ে আলোচনা কৰোঁ। তাৰ পাছত আমি সকলো সেই সমাজ সৰা ওচৰৰ আদি বাঁহজুলিত পৰিৱেশ ঘৰে ঘৰে গৈ তাঁত শাল, মুগা পোহা, চাং-ঘৰ, শাক-পাচলিৰ খেতি আদিৰ বিষয়ে তথ্য আহৰণ কৰোঁ। তথ্য আহৰণ কৰাৰ পাছত আমাক সেই সমাজৰ পৰিচালনা সমিতিয়ে আমাৰ খোৱাৰ বাবে যোগান ধৰে। তেওঁলোকৰ পৰম্পৰাগত সাজৰ মাংস, মাটি দাইল লগতে আদৰে আমাক খাবলৈ দিছিল। লগতে সেইদিনা তেওঁলোকে বিভিন্ন ধৰণৰ খেল ধেমালিৰো আয়োজন কৰিছিল। যেনে: চকুত কাপোৰ বান্ধি হাঁহ ধৰা, টেকেলী ভঙা আদি।

শেষত সকলো তথ্য, ফটো সংগ্ৰহ কৰি, সেই ঠাইৰ পৰিৱেশ চাক-চিকুণতা, তাৰ মানুহৰ ব্যৱহাৰ আদি চাই আমাৰ সকলো কাৰ্যসূচী শেষ কৰি ৪.০০ মান বজাত আমি সকলো তাৰ পৰা উভতি আহোঁ। প্ৰায় ৪.৩০ মান বজাত আমি সকলো মহাবিদ্যালয়ৰ চৌহদত উপস্থিত হওঁ আৰু প্ৰশ্নকাকতৰ উত্তৰ সমূহ ছাৰ-বাইদেউৰ হাতত জমা দি সকলো ঘৰাঘৰি যাওঁ।

১.৫. মূল আলোচনা:

অতীতৰে পৰা অসমত বিবিধ জন-গোষ্ঠীৰ লোকে বাস কৰি আহিছে। তাৰ ভিতৰত এটা অন্যতম জনগোষ্ঠী হৈছে মিচিং। স্বাভাৱিকভাৱে মিচিং সকল মংগোলীয় মূলৰ। এওঁলোক পৰম্পৰাগত লোকবিশ্বাসত যথেষ্ট চহকী। এওঁলোক মূলতঃ কৃষিজীৱি লোক। কৃষিৰ সুবিধাৰ্থে এওঁলোক নদীৰ কাষত গাঁও পাতি বাস কৰে। এওঁলোকে পালন কৰা উৎসৱ সমূহৰ ভিতৰত এটা হৈছে 'আলি আ:য়ে লৃগাং'।

মিচিং সকলৰ পৰম্পৰাগত লোক উৎসৱ আলি আ:য়ে লৃগাঙৰ লগত বিভিন্ন ধৰণৰ লোক-বিশ্বাস জড়িত হৈ আছে। প্ৰতি বছৰৰ ফাগুন বা চ'ত মাহৰ কোনোবা এটা বুধবাৰত এই উৎসৱ পালন কৰা হয়। মিচিং ভাষাৰ 'আলি:' শব্দৰ অৰ্থ মূল বা আলু, 'আ:য়ে' মানে গুটি আৰু 'লৃগাং' মানে সিঁচা অথবা ৰোপণৰ প্ৰথম দিন। এই লৃগাঙৰ দিনা গাঁৱৰ প্ৰতি ঘৰৰ মুৰব্বী-জনে পুৱাতে গা ধুই পথাৰলৈ যায়। পথাৰত এলেকাৰ মাটি কোব মাৰি চহ কৰি চাৰিওফালে পি:ৰ অথবা মেলেলো গছৰ ৰোপণ কৰে। মেলেলোখিনি ৰোপি দিওঁতে পথাৰৰ এচুকত প:ৰ আপং অলপ চাউল মহৰ্ষিখিনি দিয়ে যাতে ৰোৱা বীজ লহপহকৈ বাঢ়ি আহে। তাৰ পাছত ঘৰলৈ আহি তেওঁলোকে মাৰাম (জুহাল) ৰ চাৰিওচুকত কাঁহৰ বাটিত প:ৰ আপং ঢালি তাত: ইকুকাম (তৰাপাত) ৰে অলপ বাকি দিয়ে আৰু মহৰ্ষিখিনি দিয়ে। তাৰ পাছত শেষত কঁহত কুয়াৰ (কোৰ) বা যকতুং (দা) এখন লৈ তৰাপাতেৰে মেৰিয়াই তাতো এনে প্ৰকাৰে প:ৰ আপং ঢালি চুকত

হৈ যায়। এই কাৰ্য সমাধা কৰি তেওঁলোকে পাঁচ দিন সেনা মানে। পাঁচদিনৰ দিনা গাঁৱৰ শেষ সেইসেনসমানক মাতি মাৰাম ৰ নাৰিও চুকও পং:ৰ আপং চাৰি ৰ:মেদ চুনাম (সেনা হণ্ডা) কৰে। ধাৰ্মিক কাৰ্য শেষ হোৱাৰ পিছত গাঁৱৰ সকলো ডেকা-গাভৰুৱে মুৰং ঘৰ সাজে আৰু তাত একগোট হৈ ওমবাং নৃত্য কৰে। মুৰং ঘৰত ওমবাং নৃত্য কৰাৰ উপৰিও নিৰ্ধাৰিত পাঁচদিনত গাঁৱৰ প্ৰতিঘৰৰ চোতাললৈ গৈ ওমবাং নৃত্য কৰি শুভেচ্ছা আশীৰ্বাদ প্ৰদান কৰা প্ৰথাও আছে। প্ৰত্যেক গৃহস্থৰ দিনা ঢকা আপিন, আপং, মাংস আদিৰ লগতে অৰ্থ আদিৰে সকলো আদৰণি আশীৰ্বাদ গ্ৰহণ কৰে। এনেদৰে সংগৃহীত সামগ্ৰী, টকাৰে বজাৰ কৰি মুৰং ঘৰত প্ৰসাদ ৰ শেষৰ দিনা খান-পান (ভোজ ভাত) কৰে।

ভুমুৰিৰ মিচিং সকলে লুগাং উৎসৱত অসুৰীয়া কেচিকাম কৰে। চিকাৰত যদি পহু পাই তেন্তে বসুমতী সন্তুষ্ট হয় বুলি বিশ্বাস কৰে। পৃথিৱীৰ উৰ্বৰা শক্তি বৃদ্ধি কৰি শস্য উৎপাদন বৃদ্ধি কৰাৰৰ বাবে বিভিন্ন উপাচাৰেৰে পূজা কৰাৰ লগতে বসুমতীক সন্তুষ্টি লাভ কৰিলেহে কীট-পতংগ, বানপানী, ভূমিকম্প আদিৰ পৰা পৰিত্ৰাণ পাব বুলি তেওঁলোকে বিশ্বাস কৰে।

১.৮. সামৰণি :

ওপৰৰ আলোচনাৰ আধাৰত ক'ব পাৰি যে মিচিং সমাজত বিভিন্ন উপলক্ষত তেওঁলোকৰ প্ৰচলিত ধৰ্মীয় ধাৰণা অনুসৰি পালন কৰা উৎসৱ-পাৰ্বণ সমূহে তেওঁলোকৰ সাংস্কৃতিক বুনিয়াদ নিৰ্মাণ কৰিছে। তদুপৰি তেওঁলোকৰ মাজত প্ৰচলিত লোকবিশ্বাস আধাৰিত লোকাচাৰ সমূহৰ মাজত সহজ সৰল তথা মনৰ পৰিচয় প্ৰকাশ পায়। বছৰৰ বিভিন্ন সময়ত পালন কৰা এই লোকাচাৰ সমূহৰ লগত তেওঁলোকৰ ধৰ্মীয় বিশ্বাস, সামাজিক ৰীতি-নীতি, সংস্কৃতি চৰ্চাৰ পৰিচয়ও বহন কৰে। কিন্তু বৈজ্ঞানিক দৃষ্টিকোণেৰে বিশ্লেষণ কৰিলে বিষয়সমূহৰ যুক্তিযুক্ততা উপেক্ষিত নহ'বও পাৰে। কিন্তু পৰম্পৰাগতভাৱে পালন কৰি অহা এই উৎসৱ পাৰ্বণ সমূহে তেওঁলোকৰ পাৰস্পৰিক আদান-প্ৰদান সুদৃঢ় কৰিছে আৰু সামাজিক সুস্থিৰতা স্থাপনৰ ক্ষেত্ৰত ইতিবাচক ভূমিকাৰে সকলোকে একতাৰ ডোলেৰে বান্ধি ৰাখিবলৈ সক্ষম হৈছে।

# Field Study at Kapahtali Missing Gaon on 'Socio-Cultural Aspects of the Ali Aye Ligang Festival.'

The Ali Aye Ligang Festival, celebrated in the Indian state of Assam, is an integral part of the local culture and heritage. The Ali Aye Ligang Festival is a celebration of the agricultural community in Assam. It is celebrated to mark the beginning of the sowing season and is a time for the community to come together and celebrate the bountiful harvest they hope to reap in the coming year. The festival is also a time for the community to pay homage to their ancestors and ask for their blessings for the coming year.The Ali Aye Ligang Festival holds immense cultural significance for the local communities in Assam. It is a time for the community to come together, celebrate their heritage, and preserve their traditions. The festival is also an opportunity for the community to showcase their traditional dances and music, which are an important part of their cultural identity. Therefore, it is important to preserve the Ali Aye Ligang Festival and its cultural heritage, as it is a part of the rich and diverse cultural heritage of Assam. The festival is an important part of the local community's identity and must be protected for future generations. This can be done through measures such as promoting the festival and its significance, preserving the traditional knowledge and skills, and encouraging the younger generation to participate in the celebration of the festival. With all these aspects in mind, the proposed topic was studied by the students of the deptt. Of Assamese With the help of Mr. Tulu Fukan, Head of Department, Dr. Mala Hazarika, and Mrs. Bandita Gogoi part-time teacher of Assamese Department, on **17/2/2021** Wednesday, at Kapahtali Missing Gaon in Amguri for a field study.





(Dr. Ashfia Sultana)

Principal, Amguri College, Amguri.

Principal
Amguri College, Amguri

17/2/21

(Dr. Mala Hazarika)

Teacher in Charge

Assistant Professor,Assamese Deptt.

Amguri College, Amguri.










(Dr. Ashfia Sultana)

Principal, Amguri College, Amguri.

**Principal**
Amguri College, Amguri

(Dr. Mala Hazarika)

Teacher in Charge

Assistant Professor,Assamese Deptt.

Amguri College, Amguri.